# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 21-03-2026
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। আয়কৰ আইন ২০২৫ সন্দৰ্ভত সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে নতুন দিল্লীত **প্ৰাৰম্ভ ২০২৬** শীৰ্ষক এটা ৰাষ্ট্ৰজোৰা সজাগতা অভিযান মুকলি কৰে।

২। ভাৰতীয় ডাক আৰু ভূটান ডাকসেৱাৰ মাজত সহযোগিতাৰ বাবে এটা সংগঠিত পৰিকাঠামো গঢ়ি তোলাৰ উদ্দেশ্যে দুয়োখন দেশৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে।

৩। সমগ্ৰ দেশতে আজি পৱিত্ৰ ঈদ-উল-ফিটৰ উলহ মালহেৰে পালন কৰা হৈছে।

৪। জল জীৱন অভিযান দেশত জনকেন্দ্ৰিক আন্দোলনলৈ ৰূপান্তৰিত হোৱা বুলি কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে মন্তব্য কৰিছে।

*আৰু*

৫। ফ্ৰান্সত চলি থকা অৰ্লেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ এখন ছেমি ফাইনেলত আজি ভাৰতৰ তনভি শৰ্মা জাপানৰ ন'জ'মি অকুহাৰাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

আয়কৰ আইন ২০২৫ সন্দৰ্ভত সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি নতুন দিল্লীত **প্ৰাৰম্ভ ২০২৬** শীৰ্ষক এটা ৰাষ্ট্ৰজোৰা সজাগতা অভিযান মুকলি কৰে। ছপা মাধ্যম, ৰেডিঅ', টেলিভিছন, ডিজিটেল আৰু সামাজিক মাধ্যমক সামৰি মুকলি কৰা এই অভিযানৰ উদ্দেশ্যে হৈছে নতুন আইনখনৰ গুৰুত্বপূৰ্ণ দিশ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা। উল্লেখযোগ্য যে, অহা পহিলা এপ্ৰিলৰ পৰা এই আইনখন কাৰ্যকৰী হ'ব। এই উপলক্ষে দিয়া ভাষণত বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে আয়কৰ আইন ২০২৫-এ ত্ৰুটিসমূহ হ্ৰাস কৰাৰ লগতে বিবাদ মীমাংসা  আৰু ওজৰ আপত্তি নিষ্পত্তিৰ ব্যয় হ্ৰাস কৰিব। তেওঁ কয়, যে ক্ষুদ্ৰ ব্যৱসায়ৰ স্বত্বাধিকাৰী আৰু বৃত্তিধাৰী লোকসকল দেশৰ অৰ্থনীতিৰ প্ৰধান ইঞ্জিন আৰু এই নতুন আইনৰ অধীনত অনুমানমূলক কৰ আঁচনি অধিক শক্তিশালী কৰাৰ ব্যৱস্থা কৰা হৈছে। এই অভিযান মুকলি অনুষ্ঠানতেই শ্ৰীমতী সীতাৰমনে আয়কৰ ৱেবছাইট টু পইণ্ট জিৰো মুকলি কৰে।

ooooo

ভাৰতীয় ডাক আৰু ভূটান ডাকসেৱাৰ মাজত সহযোগিতাৰ বাবে এটা সংগঠিত পৰিকাঠামো গঢ়ি তোলাৰ উদ্দেশ্যে দুয়োখন দেশৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে। এই বুজাবুজি চুক্তিখনৰ উদ্দেশ্য হৈছে, ডাক সম্পৰ্কীয় কাৰ্যকলাপ, প্ৰযুক্তি বিকাশ, সামৰ্থ্য বিকাশ আদিৰ লগতে অভিজ্ঞতাৰ বিনিময় আদি ক্ষেত্ৰত ভাৰত আৰু

ভূটানৰ মাজত সহযোগিতা বৃদ্ধি কৰা। ভাৰতীয় ডাক বিভাগৰ সচিবগৰাকীৰ চলিত ভূটান ভ্ৰমণৰ সময়তে যোগাযোগ মন্ত্ৰ্যালয় আৰু ভূটানৰ আন্তঃগাঁথনি আৰু পৰিবহণ মন্ত্ৰালয়ৰ মাজত এই চুক্তি স্বাক্ষৰিত হয়।

ooooo

পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কেতবোৰ সহযোগিতামূলক আৰু সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰিছে। বিভিন্ন মন্ত্ৰ্যালয়ৰ জৰিয়তে গ্ৰহণ কৰা যুটীয়া পদক্ষেপসমূহৰ দ্বাৰা চৰকাৰে সমগ্ৰ দেশতে শক্তি যোগান সুনিশ্চিত কৰাৰ লগতে এই ক্ষেত্ৰত কলা বজাৰ বন্ধ কৰা আৰু জনসাধাৰণৰ মাজত দেখা দিয়া আতংক হ্ৰাস কৰাৰ ব্যৱস্থা কৰিছে। চৰকাৰে কৈছে যে, দেশৰ আটাইবোৰ শোধানাগাৰে সঠিকভাৱে কাম কৰি আছে আৰু ইন্ধনৰ মজুতো পৰ্যাপ্ত হৈ আছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি ঘৰুৱা ৰন্ধন গেছৰ উৎপাদন প্ৰায় ৪০ শতাংশ বৃদ্ধি পাইছে। এতিয়ালৈকে ইন্ধনৰ কোনো ধৰণৰ নাটনি হোৱা নাই বুলি প্ৰকাশ কৰি মন্ত্ৰ্যালয়ে এই ক্ষেত্ৰত জনসাধাৰণক আতংকিত নহ'বলৈ পৰামৰ্শ দিছে।

ooooo

সমগ্ৰ দেশতে আজি পৱিত্ৰ ঈদ-উল-ফিটৰ উলহ মালহেৰে পালন কৰা হৈছে। মাহ জোৰা উপবাসৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদ-উল-ফিটৰ পালনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ঈদ উপলক্ষে আজি ঈদগাহ আৰু মছজিদসমূহত পৱিত্ৰ নামাজৰ আয়োজন কৰা হৈছে। দিল্লীৰ জামা মছজিদ, ফতেহপুৰ মছজিদ আৰু শ্বাহী ঈদগাহত ধুমধামেৰে ঈদ পালনৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সমগ্ৰ দেশৱাসীক ঈদ-উল-ফিটৰৰ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱে আত্ম নিয়ন্ত্ৰণ, সেৱা আৰু দৰিদ্ৰ তথা অৱহেলিত লোকসকলৰ প্ৰতি সহানুভূতিৰ বাৰ্তা প্ৰেৰণ কৰে। এই উৎসৱে প্ৰেম, ভাতৃত্ব আৰু শান্তিৰ বাৰ্তাও প্ৰেৰণ কৰে বুলি তেওঁ কয়। ঈদ-উল-ফিটৰৰ এই পৱিত্ৰ দিনটোত দুখীয়া তথা আৰ্তজনৰ প্ৰতি সহায়ৰ লগতে সমাজত একতা আৰু সম্প্ৰীতি মনোভাৱ গঢ়ি তোলা আৰু দেশৰ প্ৰগতি অবিহনা আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ হোৱাৰ বাবে তেওঁ সকলোৰে প্ৰতি আহ্বান জনায়।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাইয়ো ঈদ-উল-ফিটৰ উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীবিৰলাই এই পৱিত্ৰ উৎসৱে সকলোৰে বাবে সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি মন্তব্য কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ 'হৰ ঘৰ জল' লক্ষ্যই সমগ্ৰ গ্ৰাম্য ভাৰতৰ জনসাধাৰণৰ জীৱনলৈ আমূল পৰিৱৰ্তন আনিছে বুলি কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে মন্তব্য কৰিছে। কালি জল জীৱন মিছন ২.০-ৰ অধীনত ৫খন ৰাজ্য ক্ৰমে গুজৰাট, হাৰিয়ানা, হিমাচল প্ৰদেশ, ছত্তীশগড় আৰু গোৱাৰ সৈতে হোৱা বুজাবুজিৰ চুক্তিৰ অনুষ্ঠানত আভাসীয়ভাৱে অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। অনুষ্ঠানত ভাষণ দি পাটিলে আলোকপাত কৰে যে 'হৰ ঘৰ জল, হৰ গ্ৰাম সুজল' লক্ষ্যৰে আৰম্ভ কৰা জল জীৱন মিছন এতিয়া এটা জন-কেন্দ্ৰিক আন্দোলনলৈ ৰূপান্তৰিত হৈছে। ই কেৱল পানী যোগানৰ আঁচনিয়েই নহয়, বৰং গ্ৰাম্য অঞ্চলৰ মৰ্যাদা, স্বাস্থ্য আৰু সবলীকৰণৰ অন্যতম মাধ্যম হৈ পৰিছে। তেওঁ লগতে কয় যে ঘৰে ঘৰে নলযোগে পানী যোগান ধৰাৰ ফলত

বিশেষকৈ মহিলাসকলে পানী বিচাৰি বহু দূৰলৈ যাবলগীয়া হোৱাৰ যন্ত্ৰণাৰ পৰা মুক্তি লাভ কৰিছে। যাৰবাবে ৰাহি হোৱা সময়খিনি মহিলাসকলে এতিয়া আত্ম-উন্নয়নৰ কামত ব্যৱহাৰ কৰাৰ সুযোগ লাভ কৰিছে।

জল শক্তি মন্ত্ৰালয়ে জনোৱা মতে, এই সংস্কাৰমুখী বুজাবুজিৰ চুক্তিৰ মুখ্য উদ্দেশ্য হৈছে প্ৰতিটো গ্ৰাম্য পৰিয়ালে পৰ্যাপ্ত পৰিমাণৰ আৰু নিৰ্ধাৰিত মানদণ্ডৰ খোৱাপানী নিয়মিতভাৱে লাভ কৰাটো সুনিশ্চিত কৰা। ইয়াৰ উপৰি গ্ৰাম্য পানী যোগান ব্যৱস্থাৰ বহনক্ষম পৰিচালনা আৰু ৰক্ষণাবেক্ষণৰ বাবে গাঁথনিগত সংস্কাৰ সাধন কৰাটোও এই পদক্ষেপৰ অন্যতম লক্ষ্য। এই ব্যৱস্থাই গ্ৰাম্য সম্প্ৰদায়ৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ লগতে দীৰ্ঘম্যাদী জল সুৰক্ষাত বিশেষ অৰিহণা যোগাব।

ooooo

তিনিদিনীয়া কাৰ্যসূচীৰে উত্তৰ প্ৰদেশ ভ্ৰমণৰত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মূৱে আজি মথুৰা জিলাৰ ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰি কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। আমাৰ সংবাদ দাতাই জনোৱা অনুসৰি, ৰাষ্ট্ৰপতিগৰাকীয়ে আজি পুৱা গোৱৰ্ধনত অৱস্থিত ঐতিহাসিক দানঘাটি মন্দিৰত উপস্থিত হৈ ধৰ্মীয় ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰিব। ইয়াৰ পাছতে তেওঁ ভগৱান শ্ৰীকৃষ্ণৰ সৈতে জড়িত পৱিত্ৰ গোৱৰ্ধন পাহাৰৰ পৰিক্ৰমা সম্পন্ন কৰিব। এই ধৰ্মীয় যাত্ৰাৰ অন্তত ৰাষ্ট্ৰপতিগৰাকী আজিয়ে দিল্লীলৈ ৰাওনা হ'ব।

হিন্দু ধৰ্মত অত্যন্ত মহত্বপূৰ্ণ বুলি বিবেচিত গোৱৰ্ধন পাহাৰৰ এই সম্পূৰ্ণ পৰিক্ৰমা পথটো প্ৰায় ২১ কিলোমিটাৰ জোৰা আৰু এই পথত থকা দানঘাটি মন্দিৰৰ লগতে কেইবাটাও আধ্যাত্মিক স্থানৰ বিশেষ গুৰুত্ব আছে। ৰাষ্ট্ৰপতিগৰাকীৰ এই তিনিদিনীয়া ভ্ৰমণসূচী যোৱা বৃহস্পতিবাৰে অযোধ্যাৰ নৱনিৰ্মিত ৰাম জন্মভূমি মন্দিৰত দৰ্শন আৰু সেৱা আগবঢ়োৱাৰ জৰিয়তে আৰম্ভ হৈছিল। পাছলৈ তেওঁ বৃন্দাবনৰ বিখ্যাত ইস্কন মন্দিৰ আৰু প্ৰেম মন্দিৰতো পূজা-অৰ্চনা কৰে। ধৰ্মীয় কাৰ্যসূচীৰ সমান্তৰালভাৱে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মূৱে মথুৰাৰ ৰামকৃষ্ণ মিছন সেৱাশ্ৰমত এটা নতুন 'কৰ্কট ৰোগৰ চিকিৎসা বিভাগ' উদ্বোধন কৰে। এই নতুন কেন্দ্ৰটোৱে অঞ্চলটোৰ কৰ্কট ৰোগৰ চিকিৎসা ব্যৱস্থা আৰু সা-সুবিধা অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে।

ooooo

দেশৰ নিৰ্বাচন আয়োগে পশ্চিমবংগত চলি থকা ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন প্ৰক্ৰিয়াৰ স্বচ্ছতা নিশ্চিত কৰিবলৈ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যখনত ভোটাৰৰ নাম অন্তৰ্ভুক্তকৰণ বা কৰ্তন কৰাক লৈ উত্থাপিত আপত্তি আৰু আবেদনসমূহৰ শুনানিৰ বাবে আয়োগে ১৯খন আপীল ন্যায়াধীকৰণ গঠন কৰিছে।

নির্বাচন আয়োগে প্ৰকাশ কৰা অনুসৰি, যোৱা ১০ মাৰ্চত উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা এটি ৰায়দানৰ পৰিপ্ৰেক্ষিতত তথা কলকাতা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ পৰামৰ্শৰ ভিত্তিত এই ন্যায়াধীকৰণসমূহ গঠন কৰা হৈছে। এই বিশেষ ব্যৱস্থাই ভোটাৰ তালিকা সংশোধনৰ কামলৈ অধিক গতিশীলতা আনিব বুলি ধাৰণা কৰা হৈছে। গঠন কৰা ১৯খন ন্যায়াধীকৰণৰ মাজৰ এখনৰ - কলকাতা উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ টি. এছ. শিৱজ্ঞানমে নেতৃত্ব দিব। আনহাতে, বাকী ১৮খন ন্যায়াধীকৰণৰ নেতৃত্বত উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশসকল থাকিব। এই পেনেলত ন্যায়াধীশ প্ৰদীপ্ত ৰায় আৰু তপন সেনৰ দৰে অভিজ্ঞ আইনজ্ঞও অন্তৰ্ভুক্ত আছে। মূলতঃ উত্তৰ ২৪ পৰগণা, পূব মেদিনীপুৰ, কোচবিহাৰ আৰু হাওৰাৰ দৰে জিলাসমূহৰ ভোটাৰ তালিকাত থকা বিসংগতি আৰু ইয়াৰ বিৰুদ্ধে নিৰ্দিষ্ট ন্যায়িক বিষয়াই দিয়া নিৰ্দেশৰ বিৰুদ্ধে এই ন্যায়াধীকৰণসমূহে শুনানি গ্ৰহণ কৰিব।

ভোটাৰসকলে কেনেকৈ আবেদন কৰিব পাৰিব সেই সন্দৰ্ভতো আয়োগে স্পষ্ট নিৰ্দেশনা দিছে। আবেদনকাৰীয়ে নিৰ্বাচন আয়োগৰ ECI NET মঞ্চৰ জৰিয়তে নিজৰ আবেদন দাখিল কৰিব পাৰিব। জিলা দণ্ডাধীশ, মহকুমা দণ্ডাধীশ বা মহকুমা বিষয়াৰ কাৰ্যালয়তো আবেদন জমা দিব পৰা যাব। পৰিপূৰক ভোটাৰ তালিকা প্ৰকাশ পোৱাৰ পাছতে এই আবেদনসমূহ দাখিল কৰিব পৰা যাব। চৰকাৰী বিষয়াসকলে প্ৰত্যেকটো আবেদনৰ ডিজিটীয়কৰণ আৰু আপলোডিং নিশ্চিত কৰিব। এই নিৰ্দেশনা ইতিমধ্যে সমগ্ৰ ৰাজ্যতে কাৰ্যকৰী হৈছে। জিলাসমূহৰ সকলো আবেদন নিষ্পত্তি হোৱাৰ লগে লগে এই ন্যায়াধীকৰণসমূহৰ অস্তিত্ব সমাপ্ত হ'ব বুলি আয়োগে প্ৰকাশ কৰিছে।

00000

ফ্ৰান্সত চলি থকা অৰ্লেন্স মাষ্টাৰ্ছৰ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ এখন ছেমি ফাইনেলত আজি সন্ধিয়া ভাৰতৰ তনভি শৰ্মা জাপানৰ ন'জ'মি অকুহাৰাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কালি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেল তনভিয়ে জাপানৰ নাটচুকি নিদাইৰাক ২১-১৪, ২১-১৪ গেমত পৰাস্ত কৰে।

00000

**সমাপ্ত**